# পৰিচাৰক, পৰিচাৰিকা, সৰু গোটৰ চলাওঁতা আৰু সপ্তাহটোত কাম চলোৱা সকললৈ নিৰ্দ্দেশাৱলী

## আৰম্ভ কৰা হৈছে

Download Paul-Timothy studies freely from www.Paul-Timothy.net

**প্ৰাৰ্থনা ঃ** "হে প্ৰভু, পাঁচনি কৰ্ম্মৰ মণ্ডলীক দিয়া একে শক্তিৰে আমাৰ মণ্ডলীবিলাকে পৰিচৰ্য্যা বৃদ্ধি কৰাত আৰু তেওঁবিলাকৰ নিচিনাকৈ পৰিচৰ্য্যা কৰাত আমাৰ মণ্ডলীবিলাকক অনুগ্ৰহ কৰি সহায় কৰক।"



বিশ্বাসীসকলে পৰস্পৰৰ পৰিচৰ্য্যা আৰু মণ্ডলীৰ সভ্য-সভ্যা বিলাকক সহায় কৰিবলৈ সপ্তাহটোত প্ৰায়ে একলগ হয়। তেওঁলোকে প্ৰাৰ্থনা কৰে, শিষ্য গোটায় আৰু আন অনেক প্ৰকাৰৰ পৰিচৰ্য্যা কৰে। কেতিয়াবা পুৰুষ মহিলা একেলগে গোট খায়। দুই বা তিনি পৰিয়ালে একগোট হৈ পাৰিবাৰিক উপাসনা কৰিব পাৰে। এই উপাসনাবিলাক কেতিয়াবা পৰিচাৰক আৰু পৰিচাৰিকা সকলে চলাব পাৰে। প্ৰয়োজন থকা গোটবিলাকক ডিকন সকলে প্ৰায়ে পৰিচালনা কৰিব লাগে।

**১। প্ৰয়োজনত থকা সকলৰ যত্ন লববৈলে পৰিচাৰক অথবা পৰিচাৰিকা সকলক নিযুক্তি দিয়ক, আৰু সপ্তাহটোত কৰিবলগীয়া কামত বিশ্বাসীসকলক সহায় কৰক।**

- পৰিচাৰক অথবা পৰিচাৰিকা নাম দিয়াৰ প্ৰয়োজনীয়তাৰ বিষয়ে ১তীমথিয় ৩ঃ৮-১৩ পদত চাওক।
- পাঁচনিবিলাকে কৰাৰ দৰে পৰিচাৰক সকলৰ গাত হাত দিয়ক আৰু তেওঁলোকক অভিষেক কৰিবলৈ পবিত্ৰ আত্মাক কওঁক।
- কোনজন বিশ্বাসীৰ প্ৰয়োজন অধিক জানক। আপোনাৰ মণ্ডলীৰ বাহিৰৰ লোকৰ নিমিত্তেও তেনে কৰক।
- সেই প্ৰয়োজনবোৰ পূৰ কৰিবলৈ দৰ্কাৰ হলে, টকা-পইচা, সময়, সহায় অথবা বস্তু বিশ্বাসী সকলক দান দিবলৈ কওক।

যিৰূচালেমত পৰিচালক সকলে কি কৰিছিল পাঁচনিৰ কৰ্ম্ম ৬ঃ১-৭ পদত পঢ়ক।

- কি প্ৰয়োজন আছিল যে নতুন মণ্ডলীয়ে পৰিচাৰক নাম দিবলৈ ইচ্ছা কৰিলে?
- পৰিচাৰক নাম দিয়া আৰু প্ৰয়োজনত থকা বিধবা সকলৰ পৰিচৰ্য্যা কৰিবলৈ কোনোজনে কি কি আৰশ্যক পূৰ কৰিব লাগিছিল?
- জ্ঞান আৰু পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ ব্যক্তিসকলক নামাকৰণ কৰাৰ ফলত কি ঘটিছিল? (৭ পদত উত্তৰ চাওক)
- ৰোমীয়া ১৬ঃ১ পদে প্ৰকাশ কৰিছে যে, ফৈবী নামৰ এগৰাকী মহিলাক মণ্ডলীৰ 'পৰিচাৰিকা' নামেৰে মতা হৈছিল।
- বাইবেলত 'পৰিচাৰক' শব্দৰ অৰ্থ 'দাস'।

**২। আপুনি আৰু আপোনাৰ সহ-কৰ্ম্মী সকলে অহা সপ্তাহটোত কি কৰিব - আঁচনি কৰক।**

নিউ চেপহাৰ্ডৰ অধ্যয়নে উপাসনাৰ সময়ত শিকোৱা সপ্তাহটোৰ বিষয়বোৰৰ কাম কৰাত সহায় আগবঢ়ায়। প্ৰত্যেক নতুন চেপহাৰ্ড অধ্যয়নৰ দ্বিতীয় খণ্ডত দিয়া "সপ্তাহটোত কৰিবলগীয়া কামবোৰৰ আঁচনি সহ-কৰ্ম্মীসকলৰ লগত কৰা" এই নামাকৰণৰ তলত এই সহায়বোৰ পাব।

আপুনি আৰু আপোনাৰ সহকৰ্ম্মীয়ে কৰিব খোজা অধ্যয়নৰ তালিকাৰ কামবোৰৰ পৰা বিশ্বাসীসকলৰ প্ৰয়োজনত খাপ খুউৱাবোৰ বাচি লওঁক।

এই আঁচনিবোৰ আপোনাৰ সহকৰ্ম্মী সকলৰ লগত আগতীয়াকৈ কৰক, যাতে যেন কি কৰিব লাগে তাক উপাসনাৰ সময়ত বৰ্ণনা কৰিব পাৰে।

আপোনাৰ আঁচনি সম্পৰ্কে কাগজত লিখি, আপোনাৰ মণ্ডলীৰ চলাওঁতা / পালকৰ লগত আলোচনা কৰক। এই সকলো আঁচনি আগতীয়াকৈ কৰক। আগৰ সপ্তাহৰ উপাসনা সভাত এই আঁচনিবোৰৰ জাননী দিয়াৰ ব্যৱস্থা কৰক। এই সভাতে কোনে কি কৰিব, খোলোচাকৈ সিদ্ধান্ত কৰক। আঁচনিবোৰত হয়তো তলত দিয়া কামবোৰো যোগ দিব পাৰে ঃ

- গালাতীয়া ৬ঃ১০ পদত কোৱা ধৰণে, খ্ৰীষ্টৰ শৰীৰৰ ভিতৰত পৰস্পৰৰ পৰিচৰ্য্যা কৰক।
- ইফিচীয়া ৫ঃ২১ ৰ পৰা ৬ঃ৪ পদত নিৰ্দ্দেশ দিয়া দৰে আমাৰ পৰিয়ালৰ পৰিচৰ্য্যা কৰা।
- পাঁচনিৰ কৰ্ম্ম ১৫ঃ৪০-৪১ পদত পৌলে কোৱাৰ দৰে অন্য মণ্ডলীবিলাকৰ লগত সহযোগ কৰক।
- মথি ৫ঃ১৩-১৪; ৩৫ঃ৩১-৪৬ দিয়া যীচুৰ আদেশৰ দৰে আমাৰ চাৰিওফালে থকা বন্ধু-বান্ধৱ, ওচৰ-চুবুৰীয়া, শত্ৰু আমাৰ সমাজৰ পৰিচৰ্য্যা কৰক।
- ১ তীমথিয় ২ঃ২ পদত পৌলে, তীমথিয়ক কৰিবলৈ কোৱাৰ দৰে, আপোনাৰ লগত পৰিচৰ্য্যা কৰিবলৈ আনকো প্ৰস্তুত কৰক।
- কৰিবলগীয়া আন যিকোনো কামৰ আঁচনি কৰক।

Copyright 2003 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net

